# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY
## M. A. 1st Sem. Examination, 2014
## পাঠ্যবিষয় ঃ দ্বিতীয়
## অসমীয়া কবিতা

সময় ঃ ৩ ঘণ্টা — মুঠ নম্বৰ ঃ ৮০

১। তলৰ প্ৰশ্নকেইটাৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

২×৫ = ১০

(ক) 'মাহুতৰ গীত' বুলিলে কি বুজা যায়?

(খ) চৰ্যাগীতৰ লগত বৰগীতৰ সাদৃশ্য প্ৰকট কৰক।

(গ) মাধৱ কন্দলিৰ চমু পৰিচয় দাঙি ধৰক।

(ঘ) ৰমন্যাসবাদী কবিতাৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

(ঙ) 'অষ্টক' আৰু 'ষড়্ক' মানে কি?

(চ) দেৱকান্ত বৰুৱাক কিয় 'আলি-দোমোজাৰ কবি' আখ্যা দিয়া হয়?

(ছ) 'বোধিদ্ৰুমৰ খৰি' কবিতাত যুগ-মানসৰ দ্বন্দ্ব কিদৰে প্ৰকাশ পাইছে?

২। তলৰ প্ৰশ্নকেইটাৰ যিকোনো তিনিটাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০ টা শব্দৰ ভিতৰত লিখিব)

৪×৩ = ১২

(ক) 'লৰু ধৰি ধৰি যশোদা মাৰে খেদে পাছে পাছে' গীতটিত শিশুলীলা কিদৰে চিত্ৰিত হৈছে? বুজাই লিখক।

(খ) 'সোনে ভৰিলী কৰুণা নাৱী' চৰ্যাটিৰ ভাবাৰ্থ লিখক।

(গ) 'হনুমন্তৰ লংকা দৰ্শন' কাব্যাংশত হনুমন্তৰ চৰিত্ৰত কিদৰে মানৱীয় প্ৰকৃতিৰ প্ৰতিফলন ঘটিছে?

(ঘ) 'বীণ-বৰাগী' কবিতাত 'বীণখনি কবিৰ কল্পনা-প্ৰৱণতা আৰু সৃষ্টিশীলতাৰ দ্যোতক' — কথাষাৰৰ সপক্ষে যুক্তি দাঙি ধৰক।

(ঙ) 'লখিমী' কবিতাটিৰ অন্তৰ্নিহিত তাৎপৰ্য ব্যাখ্যা কৰক।

৩। তলৰ প্ৰশ্নকেইটাৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত লিখিব)

৬×৩ = ১৮

(ক) জিকিৰৰ সাধাৰণ পৰিচয় আগবঢ়াওক।

(খ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' আৰু 'আলো মঞি কি কহবো দুখ' বৰগীত দুটিত ভগৱানৰ মাহাত্ম্য কিদৰে প্ৰকাশিত হৈছে পৃথকে পৃথকে লিখক।

(গ) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰক —

'মোৰেই মুখেদি মানৱ প্ৰাণৰ
        ফুটক আকুল মাত;
মোৰ চিন্তাতেই গূঢ় ৰহস্যৰ
        সত্য হক প্ৰতিভাত।।'

(ঘ) ‘দেৰদাসী’ কবিতাত প্ৰেমে কেনে ৰূপ পৰিগ্ৰহ কৰিছে, আলোচনা কৰক।

(ঙ) আধুনিক কবিতা হিচাপে ‘বোধিদ্ৰুমৰ খৰি’ কবিতাটিৰ এটি মূল্যায়ন আগবঢ়াওক।

৪। তলৰ প্ৰশ্নকেইটাৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৪০০ টা শব্দৰ ভিতৰত লিখিব)

১০×৪ = ৪০

(ক) দেহ-বিচাৰৰ গীতৰ তাত্ত্বিক দিশ সম্পৰ্কে বহলাই আলোচনা কৰক।

(খ) আপোনাৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট চৰ্যাকেইটিৰ বিশেষ উল্লিখনসহ চৰ্যাপদৰ দাৰ্শনিক গভীৰতা সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰক।

(গ) মাধৱ কন্দলিকৃত ৰামায়ণৰ ‘সুন্দৰাকাণ্ড’ৰ আলমত কন্দলিৰ অনুবাদ-ৰীতি আৰু ৰচনাৰ মৌলিকতা সম্পৰ্কে আলোচনা কৰক।

(ঘ) ছনেটৰ বৈশিষ্ট্য আৰু ছন্দসজ্জা সম্পৰ্কে লিখক আৰু ‘প্ৰিয়তমাৰ চিঠি’ কবিতাক এটি সাৰ্থক ছনেট হিচাপে প্ৰতিপন্ন কৰক।

(ঙ) ‘লখিমী’ কবিতাটিত প্ৰগতিবাদী চিন্তাধাৰাৰ আভাস কিদৰে পোৱা যায়, আলোচনা কৰক।

(চ) নৱকান্ত বৰুৱা আৰু হীৰেন ভট্টাচাৰ্যৰ কাব্যচিন্তাৰ মিল-অমিলসমূহ ফঁহিয়াই দেখুৱাওক।

* * *